প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

# কোভিড-১৯ প্ৰতিৰোধী অভিযান

# অসম আৰোগ্য নিধিলৈ বৰঙনি

# মন্ত্ৰী নৱ দলেয়ে আগবঢ়ালে ১ লাখ টকা

# এ এছ আৰ এল এমকে ধৰি গ্ৰামোন্নয়নৰ ঠিকাভিত্তিত নিযুক্ত কৰ্মচাৰীয়ে আগবঢ়ালে মুঠ ২৫ লাখ টকা

**গুৱাহাটী ২৯ এপ্ৰিলঃ** পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত ঠিকাভিত্তিত নিযুক্ত হৈ থকা ৮,৪১২ গৰাকী কৰ্মচাৰীয়ে মিলি ২০ লাখ টকা অসম আৰোগ্য নিধিলৈ আগবঢ়াইছে। কৰ্মচাৰীসকলে স্বইচ্ছাৰে তেওঁলোকৰ দৰমহাৰ এটা অংশ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আৰু এটা অংশ অসম আৰোগ্য নিধিলৈ আগবঢ়োৱাৰ সিদ্ধান্ত লয়। সেই অনুসৰি যোৱা ২৭এপ্ৰিলত বিভাগীয় মন্ত্ৰী নৱ কুমাৰ দলেৰ জৰিয়তে ২০,০১,৫১৩ টকাৰ চেক মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হাতত অৰ্পণ কৰাৰ বিপৰীতে অসম আৰোগ্য নিধিলৈ আগবঢ়োৱা ২০ লাখ টকাৰ চেক কালি বিভাগীয় মন্ত্ৰী নৱ কুমাৰ দলেৰ জৰিয়তে স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হাতত অৰ্পন কৰে।

আনহাতে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান (এ এছ আৰ এল এম)ৰ কৰ্মচাৰীসকলেও একেই চিন্তাৰে যোৱা ২৭এপ্ৰিলত বিভাগীয় মন্ত্ৰীগৰাকীৰ যোগেদি ৫লাখ ৭৩হাজাৰ ২৩৩টকাৰ চেক মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আগবঢ়োৱাৰ বিপৰীতে কালি অসম আৰোগ্য নিধিলৈ বুলি ৫ লাখ টকাৰ চেক স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হাতত অৰ্পন কৰে ।

আনহাতে মন্ত্ৰী দলেয়ে নিজাকৈ অসম আৰোগ্য নিধিলৈ ১লাখ টকাৰ চেক প্ৰদান কৰে। উল্লেখযোগ্য যে মন্ত্ৰীগৰাকীয়ে অলপতে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ১লাখ ৫০ হাজাৰ টকা আৰু প্ৰধানমন্ত্ৰী কেয়াৰ ফাণ্ডলৈ ৫০ হাজাৰ টকা আগবঢ়াইছিল।

মন্ত্ৰী ড° শৰ্মাক চেক প্ৰদান কৰাৰ সময়ত বিভাগৰ আয়ুক্ত হেমেন দাস আৰু এ এছ আৰ এল এমৰ অতিৰিক্ত মিছন সঞ্চালক ক্ষিতিশ পেগু উপস্থিত থাকে। মন্ত্ৰী দলেকে ধৰি বিভাগৰ প্ৰধান সচিব ডাঃ জে বি এক্কা, আয়ুক্ত দাস আৰু মিছন সঞ্চালকগৰাকীয়ে আন্তৰিকতাৰে ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ এনে মহানুভৱতাৰ শলাগ লৈছে।

*এম আৰ ডি/২৯-০৪-২০২০*